জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ১৩৮ ● সোমবাৰ ● ১২ মাঘ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Monday January 26, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ পৰা

QUIRED/
আৱশ্যক

d Retired Employ-
Graduate ladies for
ial institution.
ct: 7002361143

SINESS
ব্যৱসায়

যিকোনো ধৰণৰ নতুন
সোণৰ অলংকাৰ, সোণৰ
াদি বিক্ৰী সাপেক্ষে
বজাৰ মূল্যত নগদ ধন
ক। আমাৰ জৰিয়তে
বেংকত বন্ধকত থকা
লংকাৰসমূহ মোকলাই
পক্ষে পাওক অতিৰিক্ত
কনা—, Kamrupa
uyers Pvt. Ltd,
ffice : Zoo Road
Guwahati, Ph :
720, Br. Office :
Br: দিছপুৰ,

Utpal Bharali
Nabahatia, Jagiroad
Morigaon
G/653/1

ASTROLOGY/ জ্যোতিষী

আপোনাৰ সমস্যা যিমান জটিল কঠিন নহওক, সমাধান পাবই। ১০০% Guarantee, মায়ং প্ৰশিক্ষিত জ্যোতিষী।

আচাৰ্য শৰ্মা
(M) 8099336044
G/447/30

MATRIMONY
পাত্ৰ/পাত্ৰী

সু-খবৰ

বিবাহৰ বাবে পাত্ৰ-পাত্ৰী অনুসন্ধান আৰু পঞ্জীয়ন কেন্দ্ৰ। সাৰথি, নতুন বালিৰাট, যোৰহাট।

9085571239
9365574538
79/917/30

BCL

আজি কানৈ কলেজত গণৰাজ্য দিৱসৰ অনুষ্ঠান

## জে পি কানৈক ‘শিক্ষা শিৰোমণি’, পৰশা কোঁৱৰক ‘কণ্ঠ সৌৰভ’ সন্মান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ’ৰ্টাৰ, ২৫ জানুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিচালনা সমিতিৰ সদস্য, বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক মহাবিদ্যালয় পৰিয়ালে কাইলৈ ‘শিক্ষা শিৰোমণি’ সন্মান প্ৰদান কৰিব। লগতে গণৰাজ্য দিৱসৰ একেটা অনুষ্ঠানতে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী তথা ঘোষিকা পৰশা কোঁৱৰক ‘কণ্ঠ সৌৰভ’ সন্মান, জনপ্ৰিয় অনাতাঁৰ ঘোষিকা, শিক্ষয়িত্ৰী মৈত্ৰেয়ী ফুকনক ‘সুৰীয়া কণ্ঠ’ সন্মান আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট সমাজকৰ্মী আহমদ আলী আয়ুবিক ‘মানৱ বন্ধু’ সন্মান প্ৰদান কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে, মহাবিদ্যালয়ৰ উত্তৰণৰ দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি ২৫ বছৰ অৰ্থাৎ কৰ্ম জীৱনৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° লামখোলাল ডুংগেল, ড° মৃদুল শৰ্মা, ৰাজীৱ লোচন বৰা, ড° সঞ্চিতা বৰুৱা, আদিত্য দাহাল, অদিতি কোঁৱৰ গগৈ, অনন্ত টেৰণক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ’ব। অনুষ্ঠানত মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপক ড° অপূৰ্ব দত্ত আৰু ড° অমিতাভ দলেক সম্বৰ্ধনা জনোৱা হ’ব, লগতে মহাবিদ্যালয়ৰ আন কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হ’ব। এই অনুষ্ঠানতে সমাজৰ বিভিন্ন দিশত নিৰন্তৰে কাম কৰি সমাজলৈ বিশেষ বৰঙনি আগবঢ়োৱা ক্ৰমে প্ৰাক্তন ছাত্ৰী, কৃতী শিক্ষয়িত্ৰী, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী বিউটী লেখাৰু শইকীয়া, বিশিষ্ট সাংস্কৃতিক কৰ্মী সুতাপা চৌধুৰী, বিশিষ্ট কবি, সাহিত্যিক মীনাক্ষি দাস বৰুৱা আৰু বিশিষ্ট কবি, সাহিত্যিক বিতুমণি গগৈক সম্বৰ্ধনা জনোৱা হ’ব।



চুঙী ঃ এজন সংবাদদাতা, ২৫ জানুৱাৰী ঃ তিতাবৰ সম-জিলাৰ অন্তৰ্গত চুঙীৰ ধলৰসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত অৱস্থিত চুঙী অতিথিশালাটো বৰ্তমান ধ্বংসৰ গৰাহত পৰিছে। ২০০৭ চনতে নামচুঙী পঞ্চায়তৰ পুৰণি কাৰ্যালয়টো জহি-খহি যোৱাত চুঙী প্ৰেছ ক্লাবৰ তৎপৰতাত চুঙী অতিথিশালা হিচাপে নিৰ্মাণ কৰা হৈছিল। তিতাবৰ উন্নয়ন তদানীন্তন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ড° জয়ন্ত কুমাৰ গোস্বামীৰ প্ৰচেষ্টাত আঞ্চলিক পঞ্চায়তৰ পুঁজিৰে নিৰ্মাণ হোৱা চুঙী অতিথিশালাটোৱে ৰাইজৰ বহু অভাৱ পূৰণ কৰিছিল। বিশেষকৈ স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে এই অতিথি শালাটোতে বিভিন্ন অনুষ্ঠান সম্পন্ন কৰিছিল। উল্লেখযোগ্য যে ৰাজহুৱাভাৱে গঠন হোৱা চুঙী অতিথিশালা পৰিচালনা সমিতিয়ে উক্ত অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰি আছিল যদিও পৰৱৰ্তী কালত নামচুঙী পঞ্চায়তক অতিথিশালা পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হয়। কিন্তু দুৰ্ভাগ্যজনক কথা যে পঞ্চায়তে দায়িত্ব লোৱাৰ পাছতে অতিথিশালাটো অৱহেলিত হৈ সম্প্ৰতি জহি-খহি যোৱাৰ লগতে চৌহদটো ... স্থানীয় জনপ্ৰতিনিধি... আহৰি নাই। স্থানীয়... কৰা এই অনুষ্ঠানটো... এনেদৰে অস্তিত্বৰ... ৰাইজৰ মাজত প্ৰ... শীঘ্ৰে অতিথিশাল... বাবে দাবী জনাই...

### শিক্ষাবিদ চন্দ্ৰেশ্বৰ বৰুৱাৰ স্মৃতিচাৰণ সভা

### শিৱসাগৰত ... সেনা অসম...

শিৱসাগৰ ঃ বিশেষ সংবাদদাতা, ২৫ ...